**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সামাজিক মাধ্যমৰ এই যুগত য'ত ভুল তথ্য আৰু অপপ্ৰচাৰ সহজে বিয়পি পৰে, তেনে ক্ষেত্ৰত চৰকাৰ নিজৰ সংকল্পত দৃঢ় ভাৱে থিয় দি আছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ছদিনীয়া ভ্ৰমণসূচীৰে নাইজেৰিয়া ব্ৰাজিল আৰু গায়ানালৈ যাব।

৩। ঝাৰখণ্ডৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দলীয় প্ৰাৰ্থীৰ সমৰ্থনৰ বাবে এন ডি এ আৰু আই এন ডি আই মিত্ৰযোটে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশৰ ঝাঁচি চিকিৎসা মহাবিদ্যালয়ত সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত নিহতসকলৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে। ***আৰু***

৫। মালেয়েছিয়া স্কোৱাচ কাপ ছেমি ফাইনেলত ভাৰতৰ অভয় সিঙে আজি মালেয়েছিয়াৰ য়েইন য়াও নগৰ বিৰুদ্ধে খেলিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সামাজিক মাধ্যমৰ এই যুগত য'ত ভুল তথ্য আৰু অপপ্ৰচাৰ সহজে বিয়পি পৰে, তেনে ক্ষেত্ৰত চৰকাৰ নিজৰ সংকল্পত দৃঢ় ভাৱে থিয় দি আছে। এটা ব্যক্তিগত সংবাদ সংস্থাই আয়োজন কৰা নেতৃত্ব সন্মিলনত ভাষণ দি শ্ৰীমোদীয়ে কয যে তেওঁ চৰকাৰ ভোটবেংক ৰাজনীতিৰ পৰা আঁতৰত আছে আৰু জনসাধাৰণৰ বাবে, জনসাধাৰণৰ দ্বাৰা বিকাশৰ মন্ত্ৰৰে কাম কৰি আছে। চৰকাৰে দেশক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে কাম কৰি আছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে জনসাধাৰণে এই বিশ্বাস লৈয়ে তেওঁলোকক দায়িত্ব অৰ্পণ কৰিছে। আনহাতে সন্ত্ৰাসবাদৰ বিষয়ত শ্ৰীমোদীয়ে উল্লেখ কৰে যে সময় পৰিবৰ্তন হৈছে আৰু এতিয়া সন্ত্ৰাসবাদীয়ে নিজকে অসুৰক্ষিত অনুভৱ কৰিবলৈ ধৰিছে।

প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে ২০১৪ চনত দেশৰ কেন্দ্ৰীয় বাজেট প্ৰায় ১৬ লাখ কোটি টকা আছিল যিটো বৰ্তমান ৪৮ লাখ কোটি টকালৈ বৃদ্ধি হৈছে। আনহাতে এল পি জি গেছৰ সংযোগ এসময়ত বহুতৰ বাবে সপোন আছিল বুলি উল্লেখ কৰি তেওঁ কয় যে বিজেপি চৰকাৰে প্ৰত্যেক ঘৰতে গেছৰ সংযোগ প্ৰদান কৰাত অগ্ৰাধিকাৰ দিছে। ২০১৪ চনত ১৪ কোটি গেছৰ সংযোগ থকাৰ বিপৰীতে বৰ্তমান এই সংখ্যা ৩০ কোটিৰো অধিক বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে স্বাধীনতাৰ পাছত চৰকাৰে বিপদাশংকাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবলৈ সাহস কৰা নাছিল কিন্তু বিগত ১০ বছৰত দেশৰ যুৱচামে এই সামৰ্থ গঢ়ি তুলিছে। তেওঁ কয় যে দেশত

বৰ্তমান ১ লাখ ২৫ হাজাৰৰো অধিক পঞ্জীয়ণকৃত ষ্টাৰ্টআপ আছে আৰু যুৱক-যুৱতীসকলে দেশক গৌৰৱান্বিত কৰাত আগ্ৰহী। শ্ৰীমোদীয়ে লগতে বৰ্তমান দেশত প্ৰায় ১০ কোটি লাখপতি বাইদেউ থকাৰ কথাও উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী  আজি ছদিনীয়া ভ্ৰমণসূচীৰে নাইজেৰিয়া ব্ৰাজিল আৰু গায়ানালৈ যাব। ত্ৰিদেশীয় ভ্ৰমণৰ প্ৰথম পৰ্যায়ত প্ৰধানমন্ত্ৰী শ্ৰীমোদী নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি ব'লা আহমেদ টিনুবুৰ আমন্ত্ৰণ মৰ্মে নাইজেৰিয়াত উপস্থিত হ'ব। বিগত ১৭ বছৰত এয়া হ'ব কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো নাইজেৰিয়া ভ্ৰমণ। এই দুদিনীয়া নাইজেৰিয়া ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে দেশখনৰ শীৰ্ষ নেতৃত্বৰ সৈতে দুয়োখন দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্বৰ পৰ্যালোচনা কৰাৰ লগতে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনাত মিলিত হ'ব। ইয়াৰ পাছত শ্ৰীমোদী ১৮ নৱেম্বৰত ব্ৰাজিলৰ ৰিঅ' ডি জেনেইৰ'ত আয়োজন কৰা জি-২০ শীৰ্ষ সন্মিলনত ভাগ ল'ব। ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাৰ সৈতে ভাৰত হৈছে জি-২০ ট্ৰয়কাৰ অংশ আৰু বৰ্তমান চলি থকা জি-২০ শীৰ্ষ সন্মিলনৰ আলোচনাত ভাৰতে সক্ৰিয়ভাৱে অৱদান আগবঢ়াইছে।

ভ্ৰমণৰ তৃতীয় তথা  অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে ১৯ ৰ পৰা ২১ নৱেম্বৰলৈ গায়ানা ভ্ৰমণ কৰিব।

০০০০০০০

ঝাৰখণ্ডৰ লিট্টিপাৰা বিধানসভা সমষ্টিৰ জে এম এম দলৰ বিধায়ক দিনেশ মাৰাণ্ডিয়ে বিজেপিত যোগদান কৰিছে। বিজেপিত যোগদান কৰাৰ পাছতে বিধায়কগৰাকীয়ে কয় যে ৰাজ্যখনত হেমন্ত চোৰেণ নেতৃত্বৰ চৰকাৰখনে বাংলাদেশী অনুপ্ৰৱেশকাৰীক সুৰক্ষা প্ৰদান কৰিছে। শ্ৰীমাৰাণ্ডিয়ে আজি বিজেপিৰ নিৰ্বাচনৰ দায়িত্বত থকা শিৱৰাজ সিং চৌহানৰ উপস্থিতিত দলটোত যোগদান কৰে।

ইফালে ঝাৰখণ্ডৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দলীয় প্ৰাৰ্থীৰ সমৰ্থনৰ বাবে এন ডি এ আৰু  আই এন ডি আই মিত্ৰযোটে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি ডামকা, ডেওঘৰ আৰু ধানবাৰত ৩খনকৈ প্ৰচাৰ সভাত অংশ ল'ব। আনহাতে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে জামতাৰা আৰু খিজৰীত জনসভাত অংশগ্ৰহণ কৰিব। ঝাৰখণ্ড মুক্তিমৰ্চাৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে আজি ৰাজ্যখনৰ বিভিন্ন স্থানত ৬টা সমদলত ভাগ ল'ব।

০০০০০

মহাৰাষ্ট্ৰ বিধানসবা নিৰ্বাচনৰ পূৰ্বে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনত মেৰা বুথ চবসে মজবুত শীৰ্ষক এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰি দলীয় প্ৰাৰ্থীসকলৰ সৈতে মত বিনিময় কৰিব। বিজেপিৰ বহুকেইগৰাকী নেতা তথা মিত্ৰজোটৰ আন আন প্ৰাৰ্থীসকলেও আজি ৰাজ্যখনৰ বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশৰ ঝাঁচি চিকিৎসা মহাবিদ্যালয়ত সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত নিহতসকলৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে। ঘটনাত আঘাতপ্ৰাপ্তসকলক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সামাজিক মাধ্যমৰ এটা পʼষ্টত শ্ৰীমোদীয়ে ভুক্তভোগীৰ পৰিয়ালৰ সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে উত্তৰ প্ৰদেশ চৰকাৰৰ অধীনত স্থানীয় প্ৰশাসনে সাহায্য আৰু উদ্ধাৰ অভিযান চলাই নিবলৈ সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি নিশ্চয়তা প্ৰদান কৰে। ৰাষ্ট্ৰপতি

শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পʼষ্টত শ্ৰীমতী মুৰ্মুৱে নিহত শিশুকেইটিৰ পিতৃ-মাতৃ আৰু পৰিয়ালক এই দুখৰ  মুহুৰ্তত শক্তি প্ৰদান কৰিবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

উত্তৰ প্ৰদেশৰ ঝাঁচি চিকিৎসা মহাবিদ্যালয়ৰ নৱজাতকৰ ইনছেণ্টিভ কেয়াৰ উইনিটত যোৱা নিশা হোৱা অগ্নিকাণ্ডৰ ঘটনাত কমেও ১০ টি নৱজাতকৰ মৃত্যু ঘটে। জিলাধিপতি অৱিনাশ কুমাৰে সাংবাদিকৰ আগত কয়, যে সম্ভৱতঃ ছৰ্টচাৰ্কিটৰ বাবে নিশা প্ৰায় ১০ বাজি ৪৫ মিনিটত এই অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। প্ৰাৰম্ভিক অৱস্থাত ১০টি শিশুৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। চিকিৎসালয়ৰ বিষয়াসকলে প্ৰকাশ কৰা মতে অগ্নিকাণ্ডৰ সময়ত ইনছেণ্টিভ কেয়াৰ উইনিট ৱাৰ্ডত ৫৪ টি নৱজাতক ভৰ্তি হৈ আছিল আৰু আবদ্ধ কেইবাটিও শিশুক উদ্ধাৰ কৰা হৈছে।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ভাৰতীয় নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ কাৰ্যত আলোকপাত কৰি কয় যে ভাৰতীয় নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকে অতি স্বচ্চতাৰে কাম কৰি আছে আৰু ইয়াৰ বিশ্বাসযোগ্যতা তথা সত্যতাই এতিয়া বিশ্বজুৰি স্বীকৃতি লাভ কৰিছে। আজি নতুন দিল্লীত আয়োজিত চতুৰ্থ হিচাপ পৰীক্ষণ দিৱসত ভাষণ দি শ্ৰী বিৰলাই উল্লেখ কৰে যে ভাৰতীয় হিচাপ পৰীক্ষা ব্যৱস্থা অধ্যয়ণৰ বাবে বিভিন্ন দেশৰ লোক ভাৰতলৈ অহ্য তেওঁ প্ৰত্যক্ষ কৰিছিল। তেওঁ কয় যে এই দৰ্শনাৰ্থীসকলে ভাৰতীয় ব্যৱস্থাৰ পৰা শিকে আৰু নিজৰ দেশত ইয়াক গ্ৰহণ কৰিবলৈ চেষ্টা কৰে।

ooooo

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আজি অসমতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হৈছে। গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত এই উপলক্ষে আজি ‘গণ মাধ্যমৰ পৰিৱৰ্তিত প্ৰেক্ষাপট ঃ স্বাধীনতা আৰু বিশ্বাসযোগ্যতা’ শীৰ্ষক এটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। বিশিষ্ট লেখক, সাংবাদিক অৰূপ কুমাৰ দত্তই এই বক্তৃতা আগবঢ়ায়।  এই দিৱসৰ লগত সংগতি ৰাখি অসমৰ বিভিন্ন জিলাত বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। তিনিচুকীয়াত জিলা প্ৰশাসনৰ সৌজন্যত জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ত বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থা আৰু জাৰ্নেলিষ্ট ইউনিয়ন অব্ আছামৰ তিনিচুকীয়া জিলা সমিতিয়ে প্ৰেছ দিৱসৰ আয়োজন কৰিছে।

ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে ৰাজ্যিক ভিত্তিত বিস্তৃত কাৰ্যসূচী ৰূপায়ণ কৰিছে। দিছপুৰত লোকনিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত আয়োজন কৰা অনুষ্ঠানত তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান ডʼ কুলধৰ শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিছে। ooooo

ধুবুৰীতো  জিলাভিত্তিক বিস্তৃত কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হৈছে। ধুবুৰী জিলা প্ৰশাসন আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ যৌথ উদ্যোগত এই দিৱস জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ সভাকক্ষত আয়োজন কৰা হৈছে। বিলাসীপাৰা মহকুমা প্ৰশাসন আৰু বিলাসীপাৰা প্ৰেছ ক্লাৱৰ সহযোগত বিভিন্ন কাৰ্যসূচীৰে এই দিসৰ উদযাপনৰ ব্যৱস্থা কৰা হৈছে।

oooooooo

নতুন দিল্লীৰ ছ্যাই ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষ্যে ৭৩ সংখ্যক বড়ো সাহিত্য দিৱস উদযাপন কৰা হয়। বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীয়ে আনুষ্ঠানিকভাৱে সভাৰ পতাকা উত্তোলন কৰে আৰু তাৰ পাছতে ফুলেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সাংস্কৃতিক সমাবেশৰ শুভাৰম্ভণি কৰে। উল্লেখযোগ্য যে নতুন দিল্লীত কালি প্ৰথমবাৰৰ বাবে আয়োজন কৰা বড়ো লেণ্ড মহোৎসৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

0000000

কোৱালালামপুৰত অনুষ্ঠিত মালেয়েছিয়া স্কোৱাচ কাপ ছেমি ফাইনেলত ভাৰতৰ অভয় সিঙে আজি মালেয়েছিয়াৰ য়েইন য়াও নগৰ বিৰুদ্ধে খেলিব। অভয় সিঙে কালি সন্ধিয়া অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত ভেলাভান ছেণ্টিকুমাৰক ৩-১ ব্যৱধানত পৰাজিত কৰি ছেমি ফাইনেলত প্ৰবেশ কৰে।

000000

সমাপ্ত